
# *2021-2022*
# *Articles Published in Books*

1. Tribeni Borah

*Nagar Anchalar Briddhalokar Samashya: Ek samajik Abolokan*



EEKSHA : A collection of bilingual research based articles on diverse topics edited by Mr. Yugal Jyoti Borah, Assistant Professor of English and Dr. Chewari Sarma, Assistant Professor of Assamese, Marangi Mahabidyalaya, published by Jonak Printers on behalf of Teachers' Unit, Marangi Mahabidyalaya, Golaghat, Assam.

*First Edition : December, 2021* *Price: Two Hundred and Fifty Only*

© *Teachers' Unit, Marangi Mahabidyalaya*

**Editorial Board**

| | |
|---|---|
| **Advisers** | Dr. Mamoni Mahanta |
| | Mrs. Dipty Tamuly |
| **Editors** | Mr. Yugal Jyoti Borah |
| | Dr. Chewari Sarma |
| **Members** | Mrs. Himalata Boruah |
| | Mrs. Pallabi Saikia |
| | Mrs. Gitanjali Bharali |
| | Mr. Jayanta Borah |
| | Dr. Kakali Borah |

**Publisher** Jonak Printers, Merapani, Golaghat Assam on behalf of Teachers' Unit, Marangi Mahabidyalaya

ISBN 978-81-951019-7-9

Cover Design : Monjit Rajkhowa

Printed at : Universal Printing Press, Ganeshguri, Guwahati-6

PRINCIPAL, i/c
...i Mahavidyalaya

Scanned by TapScanner

সূচী


✍ সম্পাদকীয়

✍ ক'ৰোণাকালীন সময়ৰ সৃজনশীল অসমীয়া সাহিত্য
: ড° ৰুবী বৰা /৯

✍ নিৰুপমা বৰগোহাঞিৰ গল্পত নাৰী-চেতনা : ড° প্ৰাপ্তি ঠাকুৰ/২১

✍ লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ৰ ৰূপতত্ত্ব ঃএটি চমু আভাস
ঃ ড° ৰশ্মি বুঢ়াগোঁহাই/২৭

✍ চাহ-জনগোষ্ঠীয় সাংস্কৃতিক পৰিক্ৰমাত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ
ঃ ড° ছেৱাৰী শৰ্মা/৩৯

✍ দেৱকান্ত বৰুৱাৰ কবিতাত ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেম আৰু বিষাদ ঃ সাগৰ দেখিছা কাব্যৰ এটি চমু অধ্যয়ন
ঃ হিমলতা বৰুৱা/৪৮

✍ পাশ্চাত্য সাহিত্যত মহামাৰীৰ চিত্ৰণ ঃ চিত্ৰৰঞ্জন মিলি/৫৬

✍ মিছিং লোকাচাৰত জন্ম আৰু মৃত্যু ঃ বিনোদ কোঁৱৰ/৬৫

✍ ঠেঙাল কছাৰীসকলৰ বিবাহ অনুষ্ঠানঃ এটি চমু অৱলোকন
ঃ নিৰুপমা বড়া/৭২

✍ নামঘোষা ঃ অন্য এক মহৎ গ্ৰন্থ ঃ অঞ্জু বৰা/৮১

✍ নগৰ অঞ্চলৰ বৃদ্ধলোকসকলৰ সমস্যা ঃ এক সামাজিক অৱলোকন
ঃ ত্ৰিবেণী বৰা/৮৭

✍ 21st Century Jobs: A Snapshot : Hiranya K. Nath/94

✍ Electronic Media andTechnologies in ODeL System
: Dr. Shrutidhara Mahanta/100

✍ Need of Value Education in the Light of Gandh's Philosophy : Chumi Bora/112

✍ Kamala Das and Her Feminine Sensibility
: Rekha Moni Kutum/121


20/10/22

PRINCIPAL, i/c
Marangi Mahavidyalaya

Scanned by TapScanner

# নগৰ অঞ্চলৰ বৃদ্ধলোকসকলৰ সমস্যা ঃ এক সামাজিক অৱলোকন

✍ ত্ৰিবেণী বৰা

সমাজভেদে বয়স্ক লোকসকলৰ বয়সৰ ভিন্নতা থকাৰ বাবে বয়স্ক লোকসকলৰ এক সাৰ্বজনীন সংজ্ঞা নিৰূপন কৰাটো কঠিন হৈ পৰে। এই সম্পৰ্কে বিশিষ্ট চিন্তাবিদ ভাটিয়াই মন্তব্য আগবঢ়াইছেঃ "*...biological ageing refers to bodily changes that occur in the later part of the life of an individual that include graying of hair, lose of teetn and the diminishing of sight and audibility. Psychological ageing is studied in terms of changes in the nervous system and it consists of general decline in the mental abilities that accompany old age. It also includes the attitude and behaviour of others toward them. Socio-cultural ageing refers to changes in the individual, and changing circumstances as a member of family, community and society. These changes includes completion of parental role, retiement from work, reduced income, deseases disability and need for support.*" জীৱনৰ প্ৰত্যেক স্তৰতে মানুহে বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হ'বলগা হয়। বৃদ্ধ সময়ছোৱাত সমস্যাৰ পৰা মুক্ত নহয়। এই ক্ষেত্ৰত বিশেষকৈ গ্ৰামাঞ্চলতকৈ নগৰীয়া সমাজৰ বয়স্ক লোকসকলে অধিক সমস্যাৰ সন্মুখীন হ'ব লগা হয়। বৰ্তমান ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ ভিতৰত ৮ শতাংশ অৰ্থাৎ ১১ কোটি লোক বয়োজ্যেষ্ঠ নাগৰিক। ২০৫০ চনলৈ এই সংখ্যা ২০ শতাংশলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতবৰ্ষত প্ৰায় ১০৪ নিযুত নগৰীয়া বয়স্ক লোক আছে। এই বৃহৎ সংখ্যক নগৰীয়া বয়স্ক লোকৰ একাংশই সময়ে সময়ে বিভিন্ন ধৰণৰ সমস্যাৰ লগত মুখামুখী হ'ব লগা হয়। বিশেষকৈ এই সময়ছোৱাত বয়স্ক লোকসকলৰ শাৰীৰিক শক্তি কমি আহে, মানসিক স্থিতাৱস্থা হ্ৰাস পায়, আৰ্থিক সমস্যাই দেখা দিয়ে আৰু অধিক নিসংগতা অনুভৱ কৰে। আধুনিক নগৰীয়া সমাজৰ বয়স্ক লোকসকলৰ মাজত



PRINCIPAL, I/C
...vidyalaya
Scanned by TapScanner

মানসিক অসংহতিৰ পৰিমাণ অধিক হোৱা পৰিলক্ষিত হয়।

মানৱ সমাজ যিমানেই আধুনিকতাৰ ফালে ধাৱমান হৈছে সিমানেই মানৱীয় প্ৰমূল্যবোধসমূহ হ্ৰাস হৈ অহা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত নগৰীয়া সমাজৰ লোকসকল অধিক ব্যক্তিকেন্দ্ৰিক হোৱা দেখা যায়। নগৰীয়া ব্যস্ততাপূৰ্ণ জীৱনৰ মাজত বৃদ্ধ লোকসকলে সৰ্বাধিক সমস্যাত সন্মুখীন হ'বলগীয়া হয়। এই অধ্যয়নটিৰ মূল উদ্দেশ্য হৈছে নগৰীয়া বৃদ্ধ লোকসকলে সন্মুখীন হোৱা সমস্যাসমূহৰ ওপৰত আলোকপাত কৰি এই সমস্যাসমূহৰ সমাধানৰ বাবে যথাসম্ভৱ পৰামৰ্শ আগবঢ়োৱা।

বৃদ্ধাৱস্থা হৈছে মানৱ জীৱনৰ এক জৈৱিক ঘটনা। বহু বয়স্ক লোকৰ বাবে এই সময়ছোৱা অৱসৰ আৰু আৰামৰ সময় যদিও আন বহু নগৰীয়া বয়স্ক লোকৰ বাবে এই সময়ছোৱা এক অভিশাপ স্বৰূপ। যিহেতু বৃদ্ধাৱস্থাত মানুহৰ শাৰীৰিক আৰু মানসিক সক্ষমতা যথেষ্ট হ্ৰাস পায়। ব্যক্তিয়ে আনৰ ওপৰত নিৰ্ভৰশীল হৈ চলিব লগা হয়। নগৰ অঞ্চলৰ বয়স্ক লোকসকলে বহু সময়ত পৰিয়ালৰ পৰা যি ধৰণৰ মানসিক সমৰ্থন লাভ কৰিব লাগে সেই ধৰণে লাভ কৰা দেখা নাযায়। ফলত তেওঁলোকে বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হ'ব লগা হয়। নগৰীয়া বৃদ্ধ লোকসকলে সন্মুখীন হোৱা প্ৰধান সমস্যা সমূহ হ'ল —

আৰ্থিক সমস্যা ঃ

নগৰীয়া বয়স্ক লোকসকলৰ মূল সমস্যাসমূহৰ ভিতৰত অৰ্থনৈতিক নিৰাপত্তাহীনতা এক অন্যতম সমস্যা। অৱসৰকালীন পেঞ্চন অথবা বৃদ্ধ পেঞ্চন আদি ব্যৱস্থাই সকলো নগৰীয়া বয়স্ক লোকক সামৰি ল'ব পৰা নাই বা সামৰি ল'লেও সেইখিনি আৰ্থিক নিৰাপত্তাৰ বাবে যথেষ্ট নহয়। কিয়নো এই সময়ছোৱাত অন্যান্য আৰ্থিক ব্যয়ৰ উপৰিও বিভিন্ন বেমাৰ আজাৰৰ চিকিৎসা বা ঔষধ আদি ক্ৰয়ৰ বাবে যথেষ্ট অৰ্থ ব্যয় কৰিবলগীয়া হয়। এই সময়ছোৱাত যিহেতু বয়স্ক লোকসকলৰ শাৰীৰিক ক্ষমতা, উদ্যম আদি হ্ৰাস পায়। সেয়ে তেওঁলোকে কোনো ধৰণৰ আৰ্থিক কাম-কাজত নিজকে নিয়োজিত কৰিব নোৱাৰে। ফলত তেওঁলোকে আৰ্থিক সমস্যাত ভূগিবলগা হয়।

স্বাস্থ্য সম্পৰ্কীয় সমস্যা ঃ

স্বাস্থ্যজনিত সমস্যা কেৱল নগৰীয়া বয়স্ক লোকসকলৰে সমস্যা বুলি ক'ব নোৱাৰি। সকলো বয়স্ক লোকৰ বাবেই ই এক গুৰুত্বপূৰ্ণ সমস্যা। বয়স বৃদ্ধিৰ লগে লগে মানুহৰ স্বাস্থ্য সম্পৰ্কীয় সমস্যাসমূহত ক্ৰমান্বয়ে বৃদ্ধি পায়।



বৃদ্ধাৱস্থাত সততে দেখা দিয়া স্বাস্থ্য সম্পৰ্কীয় সমস্যাসমূহৰ ভিতৰত উল্লেখযোগ্য সমস্যাসমূহ হ'ল - দৃষ্টি শক্তি কমি অহা, স্নায়ৱিক দুৰ্বলতা, হাড় ফোপোলা হোৱা, হাওঁফাওঁৰ দুৰ্বলতা, বহুমূত্ৰ ৰোগ, উচ্চ ৰক্তচাপ, শ্ৰৱণ শক্তি হ্ৰাস পোৱা, হাপানী ৰোগ, দাঁতৰ সমস্যা, পুৰুষসকলৰ প্ৰটেষ্ট গ্ৰন্থি ডাঙৰ হোৱা, মহিলাসকলৰ জৰায়ু নামি যোৱা, ৰক্তহীনতা, পুষ্টিহীনতা ইত্যাদি। নগৰ অঞ্চলত বৃদ্ধি পোৱা প্ৰদূষণ অথবা খাদ্য দ্ৰব্যত মাত্ৰাধিক ৰাসায়নিক সাৰ প্ৰয়োগ আদিয়েও নগৰীয়া বয়স্ক লোকসকলৰ স্বাস্থ্যৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। তদুপৰি বৃদ্ধ বয়সত ঔষধৰ পাৰ্শ্বক্ৰিয়া বাঢ়ি যোৱাৰো সম্ভাৱনা থাকে। সেয়ে যিকোনো ঔষধ ব্যৱহাৰ কৰোঁতে যথেষ্ট সাৱধানতা অৱলম্বন কৰিবলগীয়া হয়। তদুপৰি দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা বয়স্ক লোকসকলে সুষম আৰু পুষ্টিকৰ আহাৰ খাবলৈ নোপোৱাৰ ফলত শাৰীৰিক দুৰ্বলতাই দেখা দিয়ে। এই দৰিদ্ৰ লোকসকল যিকোনো ৰোগত আক্ৰান্ত হ'লে তেওঁলোকৰ পক্ষে আধুনিক ব্যয়বহুল চিকিৎসা সম্ভৱ নহয় আৰু বিভিন্ন ঔষধ ক্ৰয় কৰিবলৈও বহু সময়ত তেওঁলোক অপাৰগ হয়।

সামাজিক সমস্যা ঃ

নগৰীয়া বয়স্ক লোকসকলে বহু সময়ত বিভিন্ন ধৰণৰ সামাজিক সমস্যাৰ মুখামুখী হ'ব লগা হয়। আধুনিক নগৰীয়া সমাজবোৰ প্ৰযুক্তিগত দিশত বহুখিনি আগবাঢ়ি যোৱা পৰিলক্ষিত হৈছে। কিন্তু নগৰীয়া বয়স্ক লোকসকল এই নতুন নতুন প্ৰযুক্তি সমূহৰ বিষয়ে সচেতন নহয়। এই প্ৰযুক্তিসমূহৰ ব্যৱহাৰিক দিশতো বহু বয়স্ক লোক নূন্যতম জ্ঞানৰ অভাৱ দেখা যায়। ফলত তেওঁলোকৰ মাজত সমস্যাই দেখা দিয়ে।

গ্ৰামাঞ্চলৰ পৰা নগৰ অঞ্চললৈ নতুনকৈ সন্তানসকলৰ বৃত্তি সূত্ৰে অহা বয়স্ক লোকসকলৰ মাজত আন আন কেতবোৰ সমস্যাই দেখা দিয়ে। সহজ সৰল গ্ৰামাঞ্চলৰ পৰিৱেশৰ পৰা অহা এই বয়স্ক লোকসকলে এক নতুন নগৰীয়া পৰিৱেশত নিজকে খাপ খুৱাই চলিবলৈ অসুবিধা পায়।

সাংস্কৃতিক সমস্যা ঃ

গ্ৰামাঞ্চলতকৈ নগৰ অঞ্চলত তুলনামূলকভাৱে সাংস্কৃতিক পৰিবৰ্তনৰ প্ৰভাৱ অধিক আৰু খৰতকীয়া হোৱা পৰিলক্ষিত হয়। সাধাৰণতে নগৰ অঞ্চলৰ যুৱ সমাজৰ মাজত পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱ বেছি। কিন্তু নগৰীয়া বয়স্ক লোকসকলে সহজে পুৰণি সাংস্কৃতিক মূল্যবোধসমূহক এৰি দি নতুন মূল্যবোধক আঁকোৱালি ল'ব নোৱাৰে। তেওঁলোকে পৰম্পৰাগত বিশ্বাস, ধৰ্মীয় ৰীতি

Mahavidyalaya

Scanned by TapScanner